रजिस्ट्री सं डी 221

Registered No. D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
EXTRA ORDINARY
অসাধাৰণ

भाग VI - अनुभाग 1
PART VI - Section 1
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

No. 12 ] NEW DELHI, MONDAY, DECEMBER 24, 2018 / 3 PAUSA, 1940 (Saka) [ VOL : 14
নং ১২ ] নতুন দিল্লী, সোমবাৰ, ডিচেম্বৰ ২৪, ২০১৮ / ৩ পুহ, ১৯৪০ (শক) [খণ্ড ঃ ১৪

Separate paging is given to this part in order that it may be filed as a separate compilation

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## (বিধান বিভাগ)

ৰাষ্ট্ৰীয় মৰাপাট বোৰ্ড অধিনিয়ম, ২০০৮ (২০০৯ ৰ ১২)

১২ ফেব্ৰুৱাৰী, ২০০৯ তাৰিখে যথাবিদ্যমান

# ৰাষ্ট্ৰীয় মৰাপাট বোৰ্ড অধিনিয়ম, ২০০৮
(২০০৯ ৰ অধিনিয়ম সংখ্যা ১২)

## ধাৰাসমূহৰ ক্ৰম


| ধাৰাসমূহ | | পৃষ্ঠা |
|---|---|---|
| | **অধ্যায়-১**<br>**প্ৰাৰম্ভিক** | |
| ১। | সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ | ১ |
| ২। | পৰিভাষা | ১ |
| | **অধ্যায় - ২**<br>**ৰাষ্ট্ৰীয় মৰাপাট বোৰ্ড** | |
| ৩। | বোৰ্ডৰ গঠন আৰু ভুক্তকৰণ | ১ |
| ৪। | সচিব আৰু আন পদাধিকাৰী | ৩ |
| | **অধ্যায় - ৩**<br>**বোৰ্ডৰ কৃত্যসমূহ** | |
| ৫। | বোৰ্ডৰ কৃত্যসমূহ | ৩ |
| | **অধ্যায় - ৪**<br>**সম্পত্তি আৰু সংবিদা** | |
| ৬। | পৰিষদ আৰু সমিতি বোৰ্ডত ন্যস্ত হ’ব | ৪ |
| ৭। | বোৰ্ডত পৰিষদ আৰু সমিতিৰ ন্যস্তকৰণৰ সাধাৰণ প্ৰভাৱ | ৫ |
| ৮। | অনুজ্ঞাপত্ৰ, ইত্যাদি বোৰ্ডলৈ মঞ্জুৰ হোৱা বুলি গণ্য হ’ব | ৫ |
| ৯। | কৰ বেহাই বা হিত প্ৰভাৱী হৈ থাকিব | ৫ |
| ১০। | প্ৰত্যাভূতি প্ৰৱৰ্ত্তনীয় হ’ব | ৫ |
| ১১। | পৰিষদ আৰু সমিতিৰ পদাধিকাৰী আৰু আন কৰ্ম্মচাৰীবৃন্দৰ সম্বন্ধত উপৰন্ধাৱলী | ৫ |
| | **অধ্যায় - ৫**<br>**কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা** | |
| ১২। | কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা দিয়া নিৰ্দ্দেশনা | ৬ |
| ১৩। | বোৰ্ডৰ অধিক্ৰমণ | ৬ |

# ৰাষ্ট্ৰীয় মৰাপাট বোৰ্ড অধিনিয়ম,২০০৮

## অধ্যায় - ৬

## বিত্ত, হিচাপ আৰু হিচাপ পৰীক্ষা


| ধাৰাসমূহ | পৃষ্ঠা |
|---|---|
| ১৪। কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা দিয়া অনুদান আৰু ঋণ | ৭ |
| ১৫। বাজেট | ৭ |
| ১৬। বাৰ্ষিক প্ৰতিবেদন | ৭ |
| ১৭। হিচাপ আৰু হিচাপ পৰীক্ষা | ৭ |
| ১৮। বাৰ্ষিক প্ৰতিবেদন আৰু হিচাপ পৰীক্ষকৰ প্ৰতিবেদন সংসদৰ সমক্ষত উত্থাপন কৰিব | ৭ |


## অধ্যায় - ৭

## বিবিধ


| | |
|---|---|
| ১৯। সদ্ বিশ্বাসত লোৱা কাৰ্য্যৰ সুৰক্ষা | ৭ |
| ২০। বোৰ্ডৰ পদাধিকাৰী আৰু কৰ্ম্মচাৰীবৃন্দ লোকসেৱক হ'ব | ৭ |
| ২১। নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা | ৭ |
| ২২। বিনিয়মাৱলী প্ৰণয়নৰ ক্ষমতা | ৮ |
| ২৩। নিয়মাৱলী আৰু বিনিয়মাৱলী সংসদৰ সমক্ষত উত্থাপন কৰা হ'ব | ৮ |
| ২৪। জটিলতা দূৰীকৰণৰ ক্ষমতা | ৮ |
| ২৫। ১৯৮৩ৰ অধিনিয়ম ২৮ ৰ সংশোধন | ৮ |
| ২৬। নিৰসন আৰু ব্যাবৃত্তি | ৮ |

# ৰাষ্ট্ৰীয় মৰাপাট বোৰ্ড অধিনিয়ম, ২০০৮

(২০০৯ ৰ সংখ্যা ১২)

[১২ ফেব্ৰুৱাৰী, ২০০৯]

মৰাপাট আৰু মৰাপাট উৎপাদিত সামগ্ৰীৰ খেতি, প্ৰস্তুতকৰণ আৰু বিক্ৰী বজাৰৰ উন্নয়নৰ বাবে আৰু ইয়াৰ সৈতে জড়িত আৰু ইয়াৰ আনুষংগিক বিষয়বোৰৰ বাবে এখন ৰাষ্ট্ৰীয় মৰাপাট বোৰ্ডৰ স্থাপনৰ বাবে উপৰন্ধ কৰিবলৈ এখনি অধিনিয়ম।

ভাৰত গণৰাজ্যৰ উনষষ্ঠিতম বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিত ৰূপে ইয়াক অধিনিয়মিত কৰা হওঁক :-

## অধ্যায়-১
## প্ৰাৰম্ভিক

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ। ১। (১) এই অধিনিয়মখন ৰাষ্ট্ৰীয় মৰাপাট বোৰ্ড অধিনিয়ম, ২০০৮ নামেৰে অভিহিত হ'ব।

(২) ই, সমগ্ৰ ভাৰতবৰ্ষতে বিস্তাৰিত।

(৩) ই, কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিয়ত কৰা এনে তাৰিখত বলবৎ হ'ব ।

পৰিভাষা। ২। (১) এই অধিনিয়মখনত প্ৰসঙ্গত অন্যথা অপেক্ষিত নহ'লে, —

(ক) ''নিয়ত দিন'' মানে কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা ধাৰা ৩ৰ প্ৰয়োজনাৰ্থে নিয়ত কৰা এনে দিন ;

(খ) ''বোৰ্ড'' মানে ধাৰা ৩ৰ অধীনত গঠিত ৰাষ্ট্ৰীয় মৰাপাট বোৰ্ড ;

(গ) ''অধ্যক্ষ'' মানে বোৰ্ডৰ অধ্যক্ষ ;

১৯৮৩ৰ ২৭ (ঘ) ''পৰিষদ'' মানে মৰাপাট প্ৰস্তুত উন্নয়ন পৰিষদ অধিনিয়ম, ১৯৮৩ৰ ধাৰা ৩ৰ অধীনত স্থাপিত মৰাপাট প্ৰস্তুত উন্নয়ন পৰিষদ ;

(ঙ) ''মৰাপাট'' মানে মৰাপাট, শনৰ আঁহ, মেষ্টাৰ গছ ;

১৯৮৩ ৰ ২৮ (চ) ''মৰাপাট প্ৰস্তুত'' ৰ মৰাপাট প্ৰস্তুত উপকৰ অধিনিয়ম, ১৯৮৩ ত ইয়ালৈ আৰোপিত দৰে একে অৰ্থ হ'ব ;

(ছ) ''সদস্য'' মানে বোৰ্ডৰ এজন সদস্য আৰু ই অধ্যক্ষক অন্তৰ্ভুক্ত কৰে ;

(জ) '' বিহিত'' মানে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিহিত ;

(ঝ) ''বিনিয়মাৱলী'' মানে এই অধিনিয়মৰ অধীনত বোৰ্ডৰ দ্বাৰা প্ৰণীত বিনিয়মাৱলী ;

১৮৬০ৰ ২১ (ঞ) '' সমিতি '' মানে ৰাষ্ট্ৰীয় মৰাপাট পৃথকীকৰণ কেন্দ্ৰ, বস্ত্ৰ মন্ত্ৰালয়ত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা গঠন কৰা আৰু সমিতি পঞ্জীয়ন অধিনিয়ম, ১৮৬০ ৰ অধীনত পঞ্জীকৃত এখন সমিতি ;

(ট) ''বছৰ'' মানে এপ্ৰিলৰ ১ তাৰিখত আৰম্ভ হোৱা আৰু নিকটতম অনুৱৰ্ত্তী মাৰ্চৰ ৩১ তাৰিখত শেষ হোৱা।

## অধ্যায়-২
## ৰাষ্ট্ৰীয় মৰাপাট বোৰ্ড

বোৰ্ডৰ গঠন আৰু ভুক্তকৰণ। ৩ । (১) কেন্দ্ৰীয় চৰকাৰে, নিয়ত দিনৰ পৰা প্ৰভাৱী হোৱাকৈ চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে ৰাষ্ট্ৰীয় মৰাপাট বোৰ্ড নামেৰে এখন বোৰ্ড গঠন কৰিব ।

(২) বোৰ্ডখন অস্থাৱৰ আৰু স্থাৱৰ উভয় সম্পত্তিৰ অৰ্জন, ধাৰণ আৰু নিষ্পত্তি কৰিবলৈ আৰু সংবিদা কৰিবলৈ ক্ষমতাসহ, শাশ্বত উত্তৰাধিকাৰ আৰু এটা সাধাৰণ মোহৰ থকা পূৰ্ব্বোক্ত নামেৰে এটা নিগমিত নিকায় হ'ব আৰু উক্ত নামেৰে বাদ কৰিব বা কৰাব ।

(৩) বোৰ্ডৰ মুখ্য কাৰ্য্যালয়, পশ্চিম বঙ্গ ৰাজ্যৰ ক'লকাতাত বা কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা এনে আন স্থানত থাকিব আৰু বোৰ্ডে, কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব্ব অনুমোদনসহ, ভাৰতবৰ্ষৰ ভিতৰত বা বাহিৰত আন স্থানসমূহত কাৰ্য্যালয় বা এজেন্সীসমূহ স্থাপন কৰিব পাৰে ।

(৪) বোৰ্ড, নিম্নলিখিত সদস্যসমূহেৰে গঠিত হ'ব, অৰ্থাৎ ঃ -

(ক) বস্ত্ৰৰ সৈতে সংব্যৱহৃত কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয়ৰ ভাৰপ্ৰাপ্ত সচিব, যিজন বোৰ্ডৰ পদেন অধ্যক্ষ হ'ব ;

(খ) সংসদৰ তিনিজন সদস্যক যাৰ দুজনক, লোকসভাৰ সদস্যৰ দ্বাৰা তেওঁলোকৰ মাজৰ পৰা আৰু এজনক, ৰাজ্য পৰিষদৰ সদস্যসকলৰ দ্বাৰা তেওঁলোকৰ মাজৰ পৰা নিৰ্ব্বাচিত কৰা হ'ব ;

(গ) ভাৰত চৰকাৰৰ বস্ত্ৰ মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব আৰু বিত্তীয় উপদেষ্টা, পদেন ;

(ঘ) ভাৰত চৰকাৰৰ বস্ত্ৰ মন্ত্ৰালয়ৰ যুটীয়া সচিব (মৰাপাট), পদেন ;

(ঙ) (i) কৃষি, আৰু

(ii) খাদ্য আৰু ৰাজহুৱা বিতৰণৰ সৈতে সংব্যৱহৃত হোৱা কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয়ক যথাক্ৰমে প্ৰতিনিধিত্ব কৰিবলৈ, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত কৰা যুটীয়া সচিবৰ পদবীৰ দুজন সদস্য ;

(চ) অন্ধ্ৰপ্ৰদেশ, অসম, বিহাৰ, মেঘালয়, উৰিষ্যা, ত্ৰিপুৰা আৰু পশ্চিম বঙ্গ ৰাজ্যৰ চৰকাৰক যথাক্ৰমে প্ৰতিনিধিত্ব কৰিবলৈ বৰ্ণানুক্ৰমিকভাৱে চক্ৰানুক্ৰমে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত কৰা তিনিজন সদস্য ; মনোনয়ন, ৰাজ্য চৰকাৰৰ সচিব পদবীৰ পদ ধাৰণ কৰা আৰু মৰাপাট বা বস্ত্ৰ বিষয়ৰ সৈতে সংব্যৱহৃত, ৰাজ্য চৰকাৰৰ বিষয়াৰ পৰা হ'ব ;

(ছ) মৰাপাট কৃষকৰ তিনিজন সদস্যৰ, যাৰ এজনক পশ্চিমবঙ্গ ৰাজ্যৰ পৰা আৰু দুজনক, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা চক্ৰানুক্ৰমে আন ৰাজ্যৰ পৰা মনোনীত কৰা হ'ব ;

(জ) মৰাপাট কৰ্ম্মীৰ তিনিজন সদস্যৰ, যাৰ এজনক পশ্চিমবঙ্গ ৰাজ্যৰ পৰা আৰু দুজনক চক্ৰানুক্ৰমে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা আন ৰাজ্যৰ পৰা মনোনীত কৰা হ'ব ;

(ঝ) মৰাপাট প্ৰযুক্তি বিজ্ঞান ক্ষেত্ৰ আৰু সম্পৰ্কিত ক্ষেত্ৰৰ পৰা দুজন বিশেষজ্ঞক কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত কৰা হ'ব ;

(ঞ) মৰাপাট উদ্যোগত সংব্যৱহৃত ''মাইক্ৰ'এন্টাৰপ্ৰাইজ'', '' ক্ষুদ্ৰ এন্টাৰপ্ৰাইজ '' আৰু ''মধ্যম এন্টাৰপ্ৰাইজ'' ৰ পৰা দুজন সদস্যক কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত কৰা হ'ব ;

**স্পষ্টীকৰণ** —এই খণ্ডৰ প্ৰয়োজনাৰ্থে ''মধ্যম এন্টাৰপ্ৰাইজ'', ''মাইক্ৰ'এন্টাৰপ্ৰাইজ'' আৰু '' ক্ষুদ্ৰ এন্টাৰপ্ৰাইজ''
২০০৬ ৰ ২৭ অভিব্যক্তিৰ মাইক্ৰ, ক্ষুদ্ৰ আৰু মধ্যম এন্টাৰপ্ৰাইজ উন্নয়ন অধিনিয়ম, ২০০৬ৰ ধাৰা ২ৰ খণ্ড (ছ), খণ্ড (জ) আৰু খণ্ড (ড) ত সেইবোৰলৈ যথাক্ৰমে ন্যস্ত কৰা দৰে অৰ্থ হ'ব ;

(ট) কেন্দ্ৰীয় চৰকাৰে সংগঠিত খণ্ডত মৰাপাট উদ্যোগক প্ৰতিনিধিত্ব কৰিবলৈ দুজন সদস্যক নিযুক্তি দিয়ে ;

(ঠ) কেন্দ্ৰীয় চৰকাৰে বিকেন্দ্ৰীকৰণ খণ্ডত মৰাপাট উদ্যোগক প্ৰতিনিধিত্ব কৰিবলৈ দুজন সদস্যক নিযুক্তি দিয়ে ;

(ড) কেন্দ্ৰীয় চৰকাৰে মৰাপাট উৎপাদিত দ্ৰব্যৰ ৰপ্তানীকাৰীক প্ৰতিনিধিত্ব কৰিবলৈ দুজন সদস্যক নিযুক্তি দিয়ে ;

(ঢ) ভাৰতীয় মৰাপাট উদ্যোগ গৱেষণা সংস্থাৰ সঞ্চালক, পদেন ;

(ণ) মৰাপাট প্ৰযুক্তি বিজ্ঞান সংস্থাৰ প্ৰধান ব্যক্তি, পদেন ;

(ত) ৰাষ্ট্ৰীয় মৰাপাট আৰু সমবৰ্গী আঁহ প্ৰযুক্তি বিজ্ঞান গৱেষণা সংস্থা ক'লকাতাৰ সঞ্চালক, পদেন ;

(থ) কেন্দ্ৰীয় মৰাপাট আৰু সমবৰ্গী আঁহৰ গৱেষণা প্ৰযুক্তি বিজ্ঞান, ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানৰ সংস্থাৰ সঞ্চালক, পদেন ;

(দ) ভাৰতৰ মৰাপাট নিগমৰ সভাপতি আৰু পৰিচালন সঞ্চালক, পদেন ;

(ধ) মৰাপাট আয়ুক্ত, পদেন ;

(ন) ৰাষ্ট্ৰীয় মৰাপাট বোৰ্ডৰ সচিব, যিজন বোৰ্ডৰ পদেন সদস্য-সচিব হ'ব ।

(৫) পদেন সদস্যৰ ব্যতিৰেকে সদস্যসকলৰ পদাৱধি, আৰু সেইবোৰৰ পদৰিক্তি পূৰণৰ ৰীতি আৰু এনে সদস্যৰ দ্বাৰা তেওঁলোকৰ কৃত্যসমূহৰ নিৰ্বহনত অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া, বিহিত কৰা দৰে হ'ব ।

(৬) বোৰ্ডৰ সদস্যৰ কাৰ্য্যালয়ে, ইয়াৰ ধাৰকৰ, সংসদৰ প্ৰত্যেক সদনৰ এজন সদস্যৰূপে বাচনি কৰাত বা সদস্য হোৱাত অনৰ্হ নকৰিব ।

(৭) অধ্যক্ষই বোৰ্ডৰ বৈঠকত সভাপতিত্ব কৰাৰ উপৰিও, বোৰ্ডৰ দ্বাৰা তেওঁলৈ আৰোপিত কৰাৰ দৰে বোৰ্ডৰ এনে ক্ষমতা আৰু কৰ্ত্তব্যসমূহ আৰু বিহিত কৰা এনে আন ক্ষমতা আৰু কৰ্ত্তব্যসমূহক কাৰ্য্যকৰী আৰু নিৰ্ব্বহন কৰিব ।

(৮) বোৰ্ডে, ইয়াৰ সদস্যসকলৰ মাজৰ পৰা এজন উপাধ্যক্ষ নিৰ্ব্বাচিত কৰিব যিজনে, অধ্যক্ষৰ দ্বাৰা তেওঁলৈ বিহিত কৰা দৰে বা অধিৰোপিত কৰা দৰে অধ্যক্ষৰ এনে ক্ষমতসমূহ কাৰ্য্যকৰী কৰিব আৰু এনে কৃত্যসমূহ সম্পাদন কৰিব ।

(৯) বোৰ্ডে, বিনিয়মাৱলীৰ দ্বাৰা অৱধাৰিত কৰা দৰে এনে সময়ত আৰু স্থানত মিলিত হ'ব আৰু (বৈঠকৰ থূল অন্তৰ্ভুক্ত কৰি ) ইয়াৰ বৈঠকত ব্যৱসায়ৰ সংব্যৱহাৰৰ সম্বন্ধত এনে প্ৰক্ৰিয়া পালন কৰিব।

সচিব আৰু আন পদাধিকাৰী । ৪। (১) কেন্দ্ৰীয় চৰকাৰে, এই অধিনিয়মৰ অধীনত বোৰ্ডৰ কৃত্যসমূহৰ সুদক্ষ নিৰ্ব্বহনৰ বাবে, ই প্ৰয়োজনীয় বুলি বিবেচনা কৰাৰ দৰে সচিব আৰু এনে আন পদাধিকাৰী আৰু কৰ্ম্মচাৰীবৃন্দৰ নিযুক্তি দিব পাৰে ।

(২) বোৰ্ডৰ সচিব আৰু আন পদাধিকাৰী আৰু কৰ্ম্মচাৰীবৃন্দৰ সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী বিনিয়মাৱলীৰ দ্বাৰা অৱধাৰিত কৰা দৰে এনে হ'ব।

## অধ্যায়-৩
## বোৰ্ডৰ কৃত্যসমূহ

বোৰ্ডৰ কৃত্যসমূহ । ৫। (১) বোৰ্ডে, ই উচিত ভবা দৰে এনে পদ্ধতিৰ দ্বাৰা মৰাপাট আৰু মৰাপাট উৎপাদিত সামগ্ৰীৰ উন্নয়নক উন্নীত কৰাটো কৰ্ত্তব্য হ'ব।

(২) পূৰ্ব্বগামী উপৰন্ধৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, বোৰ্ডে নিম্নলিখিত ব্যৱস্থা গ্ৰহণ কৰিব পাৰে —

(i) মৰাপাট উৎপাদনত আৰু ইয়াৰ ওপৰত গুণৰ উন্নতিত লক্ষ্য ৰখা আঁচনি গঠনৰ বৰ্দ্ধিত কাৰ্য্য, আঁচনি প্ৰয়োগ কৰা আৰু মূল্যাংকনৰ বিষয়ত মৰাপাট খেতিলৈ একীকৃত অভিগমনক উলিওৱা ;

(ii) উন্নত গুণ বিশিষ্ট কেঁচা মৰাপাটৰ উৎপাদন উন্নীত কৰা ;

(iii) কেঁচা মৰাপাটৰ উৎপাদন ক্ষমতা বৃদ্ধি কৰা ;

(iv) কেঁচা মৰাপাটৰ মূল্যৰ উন্নত বজাৰ আৰু মূল্যৰ স্থিৰব্যৱস্থা ৰখাৰ বাবে ব্যৱস্থাৰ উন্নয়ন কৰা বা দায়িত্ব লোৱা ;

(v) কেঁচা মৰাপাট আৰু মৰাপাট উৎপাদিত সামগ্ৰীৰ মান বিশিষ্টকৰণৰ উন্নীত কৰা ;

(vi) বৰ্জিত পদাৰ্থৰ নিষ্কাশন, সৰ্ব্বাধিক উৎপাদন প্ৰাপ্তি, গুণৰ উন্নতি আৰু খৰচ হ্ৰাস কৰাৰ উদ্দেশ্যে মৰাপাট উদ্যোগৰ বাবে দক্ষতাৰ নীতিৰ প্ৰস্তাৱ আগবঢ়োৱা ;

(vii) কেঁচা মৰাপাট উৎপন্নকাৰী আৰু মৰাপাট উৎপাদন সামগ্ৰীৰ প্ৰস্তুতকাৰীৰ উপযোগী তথ্য বিস্তাৰ কৰা ;

(viii) কেঁচা মৰাপাট আৰু মৰাপাট উৎপাদন সামগ্ৰীৰ গুণবিশিষ্ট নিয়ন্ত্ৰনৰ বাবে ব্যৱস্থাৰ উন্নীত কৰা আৰু গ্ৰহণ কৰা ;

(ix) কেঁচা মৰাপাটৰ সংসাধন, গুণ, শ্ৰেণী বিভাজনৰ কৌশল আৰু পেকেটকৰণৰ উন্নতিৰ বাবে অধ্যয়ন আৰু গৱেষণাক সহায়তা কৰা আৰু উৎসাহ যোগোৱা ;

(x) কেঁচা মৰাপাট আৰু মৰাপাট উৎপাদক সামগ্ৰীৰ সম্বন্ধত পৰিসংখ্যাৰ সংগ্ৰহ আৰু গঠন লক্ষ্য ৰখা জৰিপ বা অধ্যয়নৰ উন্নীত কৰা বা গ্ৰহণ কৰা ;

(xi) মৰাপাট প্ৰস্তুতকৰণৰ মানবিশিষ্টকৰণৰ উন্নীত কৰা ;

(xii) মৰাপাট উদ্যোগৰ দক্ষতা আৰু উৎপাদনশীলতা বৃদ্ধি কৰি মৰাপাটৰ প্ৰস্তুতকৰণৰ উৎপাদনৰ বিকাশৰ উন্নতি কৰা ;

(xiii) মৰাপাট খণ্ডৰ অংশ হোৱাত বৈজ্ঞানিক, প্ৰযুক্তি বিজ্ঞান সম্বন্ধীয় অৰ্থনৈতিক আৰু বজাৰ গৱেষণাক উপস্থাপন কৰা, সহায়তা কৰা, সমন্বয় কৰা, উৎসাহ দিয়া বা গ্ৰহণ কৰা ;

(xiv) বিদ্যমান বজাৰৰ পৰিচালনা আৰু উন্নতি কৰা আৰু মৰাপাট শিল্পদ্ৰব্যৰ বাবে দেশৰ ভিতৰত বা বাহিৰত নতুন বজাৰৰ উন্নতিৰ আৰু গাৰ্হস্থ্য আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত এনে শিল্পদ্ৰব্যৰ বাবে দাবী অনুকূল বজাৰৰ কাৰ্য্যকৌশল উদ্ভাৱণ কৰা ;

(xv) নতুন সামগ্ৰী, সা-সৰঞ্জাম আৰু পদ্ধতি আৱিষ্কাৰ আৰু উন্নয়ন আৰু মৰাপাট উদ্যোগত ইতিমধ্যে ব্যৱহৃত বোৰৰ বিকাশক অন্তৰ্ভুক্ত কৰি সামগ্ৰী, সা-সৰঞ্জাম, উৎপাদনৰ প্ৰক্ৰিয়া, উৎপাদন উন্নয়ন সৰ্ম্পকিত বিষয়বোৰত উপস্থাপক সহায়তা, সমন্বয় বা বৈজ্ঞানিক, কাৰিকৰী আৰু অৰ্থনৈতিক গৱেষণা ;

(xvi) শিল্পোদ্যোগী, শিল্পী, শিল্পকৰ, নক্সাকৰ্ত্তা, প্ৰস্তুতকৰ্ত্তা, ৰপ্তানীকাৰী, বেচবকাৰী এজেন্সীক সহায়তাৰ মাধ্যমেৰে মৰাপাট উৎপাদনৰ পৃথকীকৰণৰ উন্নয়নলৈ অনুকূল হোৱা প্ৰয়োজনীয় বুনিয়াদী সা-সুবিধা আৰু চৰ্ত্তাৱলী নিম্নলিখিতৰূপে উপৰন্ধ আৰু সৃষ্টি কৰা, অৰ্থাৎ :-

(ক) ভাৰতৰ বা বিদেশৰ গৱেষণা আৰু উন্নয়ন সংস্থা আৰু আন সংগঠনসমূহৰ পৰা প্ৰযুক্তি বিজ্ঞানৰ অন্তৰণ কৰা ;

(খ) কাৰিকৰী পথ প্ৰদৰ্শন আৰু প্ৰশিক্ষণক অন্তৰ্ভুক্ত কৰি তেওঁলোকৰ প্ৰকল্পৰ প্ৰয়োগৰ বাবে শিল্পোদ্যোগীলৈ সমৰ্থন সেৱাৰ উপৰন্ধ কৰা ;

(গ) শিল্পোদ্যোগ উন্নয়ন কাৰ্য্যক্ৰম সংগঠন কৰা ;

(ঘ) ভাৰতত আৰু বিদেশত প্ৰদৰ্শনী, সপ্ৰমাণ, প্ৰচাৰ মাধ্যমক অৰ্ন্তভুক্ত কৰি বজাৰ উন্নয়ন কাৰ্য্যকৌশল পৰিকল্পনা আৰু নিৰ্ব্বহন কৰা ;

(ঙ) পৰিপোষক সাহাৰ্য্য বা বীজ মূলধনৰ মাধ্যমেৰে বিত্তীয় সহায়তাৰ উপৰন্ধ কৰা ;

(চ) মৰাপাট আৰু মৰাপাট বস্ত্ৰ খণ্ডত জড়িত হোৱা বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় এজেন্সীৰ সৈতে পাৰস্পৰিক ক্ৰিয়াৰ বাবে পৃথকীকৃত মৰাপাট উৎপাদিত সামগ্ৰীত জড়িত বা স্বাৰ্থ জড়িত জনসাধাৰণলৈ এখন বিচাৰালয় উপৰন্ধিত কৰা ;

(xvii) কৰ্ম্মশালা, সম্মিলন, বক্তৃতা, অধ্যয়ন চক্ৰ উন্নয়ন পাঠ্যক্ৰমৰ সংগঠন কৰা আৰু মৰাপাট আৰু মৰাপাট উৎপাদিত সামগ্ৰীৰ উন্নতিকৰণ আৰু উন্নয়নৰ প্ৰয়োজনাৰ্থে অধ্যয়ন দল গঠন কৰা আৰু প্ৰশিক্ষণ কাৰ্য্যক্ৰমৰ পৰিচালনা কৰা ;

(xviii) মৰাপাট শস্যৰ গুণ বৃদ্ধি কৰিবলৈ আৰু গৰ্ভাৱস্থাৰ সময় হ্ৰাস কৰিবলৈ মৰাপাট বীজৰ ওপৰত গবেষণা চলোৱা ;

(xix) মৰাপাট খণ্ডৰ অবিৰত মানৱ সম্পদ উন্নয়নৰ বাবে ব্যৱস্থাৰ চামিল কৰা আৰু সেই একেবোৰৰ বাবে প্ৰয়োজনীয় নিধিৰ উপৰন্ধ কৰা ;

(xx) মৰাপাট খণ্ড আৰু প্ৰযুক্তি বিজ্ঞানৰ উন্নয়নৰ আধুনিকীকৰণ ;

(xxi) মৰাপাট উৎপন্নকাৰী আৰু কৰ্ম্মীৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ আৰু তেওঁলোকৰ জীৱন ধাৰণৰ পথৰ বিকাশৰ দ্বাৰা সেইবোৰৰ কল্যাণৰ উন্নয়ন কৰিবলৈ ব্যৱস্থা লোৱা ;

(xxii) মৰাপাট উদ্যোগত জড়িত কৰ্ম্মীৰ বাবে উন্নত কাৰ্য্যব্যৱস্থা আৰু ব্যৱস্থাৰ সুনিশ্চিত কৰা আৰু সা-সুবিধা আৰু উদ্দীপনা বৃদ্ধি কৰা ;

(xxiii) ঐচ্ছিক ভিত্তিত মৰাপাট উৎপন্নকাৰী আৰু প্ৰস্তুতকাৰীৰ পঞ্জীয়ন ;

(xxiv) সংকলন আৰু প্ৰকাশনৰ বাবে মৰাপাট আৰু মৰাপাট উৎপাদন সামগ্ৰীৰ সম্বন্ধত পৰিসংখ্যা সংগ্ৰহ কৰা ;

(xxv) মৰাপাট খণ্ডৰ উন্নতিৰ প্ৰয়োজনাৰ্থে বা ভাৰতত আৰু বিদেশত মৰাপাট আৰু মৰাপাট উৎপাদন সামগ্ৰীৰ উন্নতি আৰু বজাৰৰ বাবে কোনো আন নিগমিত নিকায়ৰ সৈতে (অংশীদাৰ, যৌথ সহ উদ্যম বা কোনো আন পদ্ধতিত, যি মাধ্যমেৰেই নহওঁক কিয়) কোনো অংশ মূলধনলৈ বৰঙনি দিয়া বা কোনো বন্দৱস্তত প্ৰৱেশ কৰা ;

(৩) বোৰ্ডৰ ——

(ক) মৰাপাট আৰু মৰাপাট উৎপাদন সামগ্ৰীৰ আমদানি আৰু ৰপ্তানিক অৰ্ন্তভুক্ত কৰি, কেঁচা মৰাপাট আৰু মৰাপাট উদ্যোগৰ উন্নয়ন সম্পৰ্কীয় সকলো বিষয়ৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে উপদেশ দিয়াটো ;

(খ) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সময়ে সময়ে অপেক্ষিত কৰা দৰে মৰাপাট খণ্ডৰ সম্পৰ্কিত প্ৰতিবেদন প্ৰস্তুত কৰা আৰু যোগান ধৰাটো কৰ্ত্তব্য হ'ব ।

## অধ্যায়-৪

## সম্পত্তি আৰু সংবিদা

**পৰিষদ আৰু সমিতি বোৰ্ডত ন্যস্ত হ'ব।**

৬। (১) নিয়ত দিনত বা নিয়ত দিনৰ পৰা পৰিষদ আৰু সমিতি, ধাৰা ৩ৰ অধীনত গঠিত বোৰ্ডলৈ অন্তৰিত হ'ব আৰু বোৰ্ডত ন্যস্ত হ'ব ।

(২) উপ-ধাৰা (১)ৰ অধীনত বোৰ্ডলৈ অন্তৰিত হোৱা আৰু বোৰ্ডত ন্যস্ত হোৱা পৰিষদ আৰু সমিতি সকলো পৰিসম্পত্তি, অধিকাৰ, ক্ষমতা, প্ৰাধিকাৰ আৰু সা-সুবিধা আৰু সকলো অস্থাৱৰ আৰু স্থাৱৰ সম্পত্তি প্ৰকৃত বা ব্যক্তিগত,

## ৰাষ্ট্ৰীয় মৰাপাট বোৰ্ড অধিনিয়ম, ২০০৮

মূৰ্ত্ত বা অমূৰ্ত্ত, বৰ্ত্তমান বা সম্ভাব্য, যি প্ৰকৃতিৰেই নহওঁক কিয় আৰু যতেই অৱস্থিত নহওঁক কিয় অন্তৰ্ভুক্ত কৰা বুলি গণ্য কৰা হ'ব আৰু ভূমি, ভৱন, যন্ত্ৰপাতি, সা-সৰঞ্জাম, নগদ জমা, মূলধন, সংৰক্ষিত বস্তু, সংৰক্ষিত নিধি, বিনিয়োগ, ভাড়া, পট্টা আৰু বহী ঋণ আৰু ভাৰতবৰ্ষৰ ভিতৰতেই হওঁক বা বাহিৰতেই হওঁক পৰিষদ বা যথাস্থিতি সমিতিৰ স্বামীত্ব বা দখল বা ক্ষমতাত নিয়ত দিনৰ অব্যৱহিত পূৰ্ব্বে থকাৰ দৰে এনে সম্পত্তিৰ পৰা উদ্ভৱ হোৱা সকলো আন অধিকাৰ আৰু স্বাৰ্থ আৰু ইয়ালৈ সম্পৰ্কিত হিচাপ আৰু দস্তাবেজৰ সকলো বহী অন্তৰ্ভুক্ত বুলি গণ্য হ'ব আৰু সমিতি বা যথাস্থিতি পৰিষদৰ তেতিয়াৰ বিদ্যমানতাৰ যি প্ৰকাৰৰেই নহওঁক কিয় সকলো ধাৰ, দায়িত্ব আৰু কৰ্ত্তব্যকো অন্তৰ্ভুক্ত কৰা বুলি গণ্য কৰা হ'ব।

**বোৰ্ডত পৰিষদ আৰু সমিতিৰ ন্যস্তকৰণৰ সাধাৰণ প্ৰভাৱ।**

৭। (১) নিয়ত দিনৰ অব্যৱহিত পূৰ্ব্বে বিদ্যমান আৰু পৰিষদক বা যথাস্থিতি সমিতিক প্ৰভাৱী কৰা সকলো সংবিদা, চুক্তি আৰু কাৰ্য্য বিন্যাস পৰিষদ বা যথাস্থিতি সমিতিলৈ যিমান দূৰ জড়িত হৈ থাকে পৰিষদ বা যথাস্থিতি সমিতিলৈ প্ৰভাৱী নহ'ব বা ইয়ালৈ প্ৰৱৰ্ত্তনযোগ্য নহ'ব আৰু বোৰ্ডৰ বিপক্ষে বা সপক্ষে পূৰ্ণ প্ৰৱৰ্ত্তন আৰু প্ৰভাৱী হ'ব য'ত পৰিষদ আৰু সমিতিক এই অধিনিয়মৰ বলত ন্যস্ত কৰা হৈছে আৰু সম্পূৰ্ণৰূপে আৰু প্ৰভাৱীৰূপে প্ৰৱৰ্ত্তনযোগ্য হ'ব যেনিবা পৰিষদ বা যথাস্থিতি সমিতিৰ পৰিৱৰ্ত্তে তাত বোৰ্ডৰহে নাম আছিল বা তাৰ কোনো দলহে আছিল।

(২) পৰিষদ বা সমিতিৰ দ্বাৰা বা বিপক্ষে নিয়ত দিনৰ অব্যৱহিত পূৰ্ব্বে লম্বিত বা বিদ্যমান কোনো কাৰ্য্যবাহী, বাদ বা বাদ হেতুক, সেই দিনৰ পৰা বোৰ্ডৰ দ্বাৰা বা বিপক্ষে চলি থকিব আৰু বলবৎ থাকিব য'ত এই অধিনিয়মৰ বলত ইয়াক ন্যস্ত কৰা হয়, যেনেদৰে পৰিষদ বা সমিতিৰ দ্বাৰা বা বিপক্ষে ইয়াক বলবৎ কৰিব পৰা গ'লহেতেঁন, যদি এই অধিনিয়মখন পাৰিত কৰা নহ'লহেতেঁন আৰু পৰিষদ বা যথাস্থিতি সমিতিৰ দ্বাৰা বা বিপক্ষে বলবৎযোগ্য নহ'ব।

**অনুজ্ঞাপত্ৰ, ইত্যাদি বোৰ্ডলৈ মঞ্জুৰ হোৱা বুলি গণ্য হ'ব।**

৮। সম্প্ৰতি বলবৎ থকা কোনো বিধিৰ অধীনত পৰিষদ বা যথাস্থিতি সমিতিৰ কাৰ্য্যকল্যাপ আৰু ব্যৱসায়ৰ সম্পৰ্কত, নিয়ত দিনৰ পৰা প্ৰভাৱী হোৱাকৈ, পৰিষদ বা সমিতিলৈ মঞ্জুৰ হোৱা সকলো অনুজ্ঞাপত্ৰ, অনুমতিপত্ৰ, কোটা আৰু ৰেহাই বোৰ্ডলৈ মঞ্জুৰ কৰা হোৱা বুলি গণ্য হ'ব য'ত পৰিষদ আৰু সমিতি এই অধিনিয়মৰ বলত ন্যস্ত হৈছে।

**কৰ ৰেহাই বা হিত প্ৰভাৱী হৈ থাকিব।**

৯। (১) য'ত কোনো কৰৰ পৰা কোনো ৰেহাই বা কৰৰ সম্বন্ধত কোনো নিৰ্দ্ধাৰণ মঞ্জুৰ কৰা হয় বা দিয়া হয় বা কোনো অনিমগ্ন মূল্যহ্ৰাসৰ ওলোটা দাবী বা যথাস্থিতি আগুৱাই লৈ যোৱাৰ মাধ্যমেৰে হোৱা কোনো হিত বা বিনিয়োগ ভাত্তা বা আন ভাত্তা বা ক্ষতি বিস্তাৰিত হয় বা আয়কৰ অধিনিয়ম, ১৯৬১ৰ অধীনত পৰিষদ বা সমিতিলৈ সহজলভ্য হয়, এনে ৰেহাই কৰ নিৰ্দ্ধাৰণ বা হিত বোৰ্ডৰ সম্পৰ্কত প্ৰভাৱী হৈ চলি থাকিব য'ত এই পৰিষদ বা সমিতি এই অধিনিয়মৰ বলত ন্যস্ত হৈছে।

**১৯৬১ৰ ৪৩**

(২) যেতিয়া পৰিষদ বা সমিতিৰ দ্বাৰা দিয়া কোনো আদায়ক, আয়কৰ অধিনিয়ম, ১৯৬১ৰ কোনো উপৰন্ধৰ অধীনত এটা উৎসত কৰৰ অনুমতিৰ পৰা ৰেহাই দিয়া হয়, কৰৰ ৰেহাই সহজলভ্য হ'বলৈ চলি থাকিব যেনিবা পৰিষদ বা সমিতিলৈ প্ৰয়োগযোগ্য কৰা উক্ত অধিনিয়মৰ উপৰন্ধাৱলী বোৰ্ডৰ সম্পৰ্কত প্ৰৱৰ্ত্তিতহে আছিল য'ত পৰিষদ আৰু সমিতি এই অধিনিয়মৰ বলত ন্যস্ত হৈছে।

**১৯৬১ৰ ৪৩**

(৩) ধাৰা ৬ৰ নিৱন্ধনত পৰিষদ বা সমিতিৰ অন্তৰণ আৰু ন্যস্তকৰণক, পুঁজি লাভৰ প্ৰয়োজনাৰ্থে আয়কৰ অধিনিয়ম, ১৯৬১ৰ অৰ্থৰ ভিতৰত এটা অন্তৰণ ৰূপে অৰ্থ নকৰিব।

**প্ৰত্যাভূতি প্ৰৱৰ্ত্তনীয় হ'ব।**

১০। কোনো ঋণ বা পট্টা বিত্তৰ সম্বন্ধত পৰিষদ বা সমিতিৰ বাবে বা সপক্ষে দিয়া কোনো প্ৰত্যাভূতি, বোৰ্ডৰ সম্পৰ্কত প্ৰৱৰ্ত্তনীয় হৈ চলি থাকিব য'ত পৰিষদ আৰু সমিতি এই অধিনিয়মৰ বলত ন্যস্ত হৈছে।

**পৰিষদ আৰু সমিতিৰ পদাধিকাৰী আৰু আন কৰ্ম্মচাৰী বৃন্দৰ সম্বন্ধত উপৰন্ধাৱলী।**

১১। (১)(ক) নিয়ত দিনৰ অব্যৱহিত পূৰ্ব্বে ইয়াৰ নিয়োজনত পৰিষদৰ সেৱাৰত প্ৰত্যেক পদাধিকাৰী আৰু আন কৰ্ম্মচাৰীবৃন্দই, যিমান দূৰ, এনে পদাধিকাৰী বা আন কৰ্ম্মচাৰী পৰিষদৰ সম্বন্ধত নিয়োজিত হয়, যাক এই অধিনিয়মৰ বলত বোৰ্ডত ন্যস্ত কৰা হয়, তেওঁলোক নিয়ত দিনৰ পৰা, বোৰ্ডৰ এজন পদাধিকাৰী বা যথাস্থিতি আন কৰ্ম্মচাৰী বুলি গণ্য হ'ব।

(খ) নিয়ত দিনৰ অব্যৱহিত পূৰ্ব্বে ইয়াৰ নিয়োজনত সমিতিৰ সেৱাৰত প্ৰত্যেক পদাধিকাৰী বা আন কৰ্ম্মচাৰীবৃন্দই, যিমান দূৰ, এনে পদাধিকাৰী বা আন কৰ্ম্মচাৰী সমিতিৰ সম্বন্ধত নিয়োজিত হয়, যাক এই অধিনিয়মৰ বলত বোৰ্ডত ন্যস্ত কৰা হয়, তেওঁলোক নিয়ত দিনৰ পৰা, বোৰ্ডৰ এজন পদাধিকাৰী বা যথাস্থিতি আন কৰ্ম্মচাৰী বুলি গণ্য হ'ব।

(২) পৰিষদ বা সমিতিৰ প্ৰত্যেক পদাধিকাৰী বা আন কৰ্ম্মচাৰী যিজন উপ-ধাৰা (১)ত নিৰ্দ্দেশিত ৰূপে বোৰ্ডৰ এজন পদাধিকাৰী বা যথাস্থিতি আন কৰ্ম্মচাৰী হয়, তেওঁ পৰিষদ বা যথাস্থিতি সমিতিৰ অধীনত ধাৰণ কৰা দৰে ছুটী, বীমা, অধিবৰ্ষ আৰ্চনি, ভৱিষ্যনিধি, আন নিধি, অৱসৰকালীন পেন্সন, পাৰিতোষিক আৰু আন হিতৰ বিষয়ে একে পদাৱধি, একে পাৰিতোষিকত একে নিৱন্ধন আৰু চৰ্ত্তাৱলীৰ ওপৰত, একে দায়িত্ব আৰু অধিকাৰ আৰু সা-সুবিধাত তেওঁ পদধাৰণ বা সেৱা কৰিব, যদিহে তেওঁক বোৰ্ডত ন্যস্ত কৰা নহ'লহেতেঁন আৰু বোৰ্ডৰ এজন পদাধিকাৰী বা যথাস্থিতি এজন কৰ্ম্মচাৰীৰূপে এনে কৰাটো চলি থাকিব, বা নিয়ত দিনৰ পৰা এবছৰৰ এটা কালৰ অৱসান নোহোৱালৈকে যদিহে এনে পদাধিকাৰী বা আন কৰ্ম্মচাৰীয়ে সেই কালৰ ভিতৰত বোৰ্ডৰ পদাধিকাৰী বা আন কৰ্ম্মচাৰী হ'বলৈ ইচ্ছুক নহয়ঃ

পৰন্তু যদিহে বোৰ্ডে, এনে দৰে নিৰ্দ্ধাৰিত অৱধি বিস্তাৰিত কৰিবলৈ সমীচীন বুলি ভাবে, তেন্তে ই, সেইবোৰক এবছৰৰ অধিকতম অৱধিলৈ বিস্তাৰিত কৰিব পাৰে।

(৩) য'ত পৰিষদ বা সমিতিৰ এজন পদাধিকাৰী বা আন কৰ্ম্মচাৰীয়ে উপ-ধাৰা (২)ৰ অধীনত বোৰ্ডৰ নিয়োজনত বা সেৱাত থাকিবলৈ ইচ্ছুক নহয় য'ত পৰিষদ আৰু সমিতি নাস্ত হৈছে, এনে পদাধিকাৰী বা আন কৰ্ম্মচাৰীক নিজৰ সংবৰ্গৰ পৰা পদত্যাগ কৰা বুলি গণ্য কৰা হ'ব।

১৯৪৭ ৰ ১৪ (৪) ঔদ্যোগিক বিবাদ অধিনিয়ম, ১৯৪৭ বা সম্প্ৰতি বলবৎ থকা আন কোনো বিধিত কোনো কথা থকা সত্ত্বেও পৰিষদ বা সমিতিৰ কোনো পদাধিকাৰী বা আন কৰ্ম্মচাৰীৰ বোৰ্ডলৈ হোৱা সেৱাৰ অন্তৰণ এই অধিনিয়ম বা সম্প্ৰতি বলবৎ থকা কোনো আন বিধিৰ অধীনত এনে পদাধিকাৰী বা আন কৰ্ম্মচাৰীক কোনো ক্ষতিপূৰণলৈ হ'কদাৰ নকৰিব আৰু কোনো ন্যায়ালয়, ন্যায়াধিকৰণ বা আন প্ৰাধিকাৰীৰ দ্বাৰা এনে কোনো দাবী স্বীকাৰ নকৰিব।

(৫) পৰিষদ বা সমিতিৰ সেৱাৰ পৰা নিয়ত দিনৰ পূৰ্ব্বে অৱসৰ লোৱা আৰু কোনো হিত, অধিকাৰ বা সা-সুবিধালৈ হ'কদাৰ হোৱা পদাধিকাৰী আৰু আন কৰ্ম্মচাৰীবৃন্দই, পৰিষদ আৰু সমিতিক নাস্ত কৰা বোৰ্ডৰ পৰা এনে হিত, অধিকাৰ বা সা-সুবিধা গ্ৰহণ কৰিবলৈ হ'কদাৰ হ'ব।

(৬) পদাধিকাৰী বা কৰ্ম্মচাৰীবৃন্দৰ কল্যাণৰ বাবে পৰিষদ বা সমিতিৰ ভৱিষ্য নিধিৰ ন্যাস আৰু সামূহিক বীমা আৰু অধিবৰ্ষ আঁচনি পৰিষদ বা সমিতিত এতিয়ালৈকে কৰি থকা দৰে বোৰ্ডত তেওঁলোকৰ কৃত্যসমূহৰ নিৰ্ব্বহন হৈ থাকিব আৰু ভবিষ্য নিধি বা সামূহিক বীমা আৰু অধিবৰ্ষ আঁচনিলৈ মঞ্জুৰ কৰা কৰ ৰেহাই, বোৰ্ডত প্ৰয়োগ হৈ থাকিব।

(৭) উপ-ধাৰা (২)ত নিৰ্দ্দেশিত দৰে এবছৰৰ অৱধিৰ বা বিস্তাৰিত অৱধিৰ অৱসানৰ পিছত, এনে অৱধিৰ ভিতৰত বোৰ্ডৰ পদাধিকাৰী বা কৰ্ম্মচাৰীবৃন্দ হবলৈ ইচ্ছা নকৰাবোৰৰ ব্যতিৰেকে, বোৰ্ডলৈ অন্তৰিত আৰু নিয়োজিত হোৱা সকলো পদাধিকাৰী আৰু আন কৰ্ম্মচাৰীবৃন্দ উক্ত বোৰ্ডৰ পদাধিকাৰী আৰু আন কৰ্ম্মচাৰীবৃন্দৰ সেৱাৰ চৰ্ত্তাৱলীৰ সম্বন্ধত বোৰ্ডৰ দ্বাৰা প্ৰণীত নিয়মাৱলী আৰু বিনিয়মাৱলীৰ দ্বাৰা পৰিচালিত হ'ব।

## অধ্যায় —৫
## কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা

কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা দিয়া নিৰ্দ্দেশনা।

১২। (১) বোৰ্ডে সুসংগত পৰিনিয়মৰ অধীনত ইয়াৰ কৃত্য আৰু কৰ্তব্যৰ নিৰ্ব্বহনত নীতিৰ প্ৰশ্নৰ ওপৰত দিয়া নিৰ্দ্দেশনাৰ দ্বাৰা আৱদ্ধ হ'ব যেনেদৰে কেন্দ্ৰীয় চৰকাৰে সময়ে সময়ে ইয়ালৈ লিখিতভাৱে দিয়ে ঃ

পৰন্তু বোৰ্ডক, যিমানদূৰ প্ৰয়োগসাধ্য হয়, কোনো নিৰ্দ্দেশ দিয়াৰ পূৰ্ব্বে ইয়াৰ মতামত প্ৰকাশ কৰিবলৈ সুযোগ দিয়া হ'ব।

(২) প্ৰশ্নটো এটা নীতিৰ হয়নে নহয়, কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্ত চূড়ান্ত হ'ব।

বোৰ্ডৰ অধিক্ৰমণ

১৩। (১) যদিহে কোনো সময়ত কেন্দ্ৰীয় চৰকাৰে এটা অভিমত দিয়ে যে —

(ক) গুৰুতৰ জৰুৰী অৱস্থাৰ বাবে এই অধিনিয়মৰ উপৰন্ধাৱলীৰ দ্বাৰা বা অধীনত বোৰ্ডে, ইয়ালৈ আৰোপিত কৰা কৃত্য আৰু কৰ্ত্তব্যৰ নিৰ্ব্বহন কৰিবলৈ অসমৰ্থ হয় ; বা

(খ) বোৰ্ডে, এই অধিনিয়মৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা জাৰি কৰা কোনো নিৰ্দ্দেশনাৰ অনুপালন কৰাত বা এই অধিনিয়মৰ উপৰন্ধাৱলীৰ দ্বাৰা বা অধীনত ইয়ালৈ আৰোপিত কৰা কৃত্য আৰু কৰ্ত্তব্যৰ নিৰ্ব্বহনত বাৰম্বাৰ ত্ৰুটী কৰে আৰু ত্ৰুটীৰ ফলস্বৰূপে, বোৰ্ডৰ বিত্তীয় অৱস্থা বা বোৰ্ডৰ প্ৰশাসনৰ অৱনতি হয় ; বা

(গ) বিদ্যমান পৰিস্থিতিসমূহ যিয়ে ৰাজহুৱা স্বাৰ্থত ইয়াৰ এনে কৰিবলৈ প্ৰয়োজনীয় কৰে ;

কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা অধিসূচনাত বিনিৰ্দ্দিষ্ট কৰা দৰে ছমাহৰ অনধিক এনে অৱধিৰ বাবে বোৰ্ডক অধিক্ৰমণ কৰিব পাৰে।

(২) এখন অধিসূচনাৰ প্ৰকাশনত ——

(ক) বোৰ্ডৰ সকলো সদস্যই অধিক্ৰমণৰ তাৰিখৰ পৰা এনেদৰে তেওঁলোকৰ পদ ৰিক্ত কৰিব ;

(খ) সুসঙ্গত অধিনিয়মৰ উপৰন্ধাৱলীৰ দ্বাৰা বা অধীনত বোৰ্ডৰ দ্বাৰা বা হ'কে কাৰ্যকৰী বা নিৰ্ব্বহন কৰা সকলো ক্ষমতা, কৃত্য আৰু কৰ্তব্যবোৰ, উপ-ধাৰা (৩)ৰ অধীনত বোৰ্ড পুনৰ সংগঠিত নোহোৱা পৰ্য্যন্ত, কেন্দ্ৰীয় চৰকাৰে নিৰ্দ্দেশ দিয়াৰ দৰে এনে ব্যক্তি বা ব্যক্তিসমূহৰ দ্বাৰা কাৰ্যকৰী আৰু নিৰ্ব্বহন হ'ব ; আৰু

(গ) বোৰ্ডৰ স্বামীত্বাধীন বা নিয়ন্ত্ৰিত সকলো সম্পত্তি, বোৰ্ড পুনৰ সংগঠন নোহোৱা পৰ্য্যন্ত কেন্দ্ৰীয় চৰকাৰত ন্যস্ত হ'ব।

(৩) উপ-ধাৰা (১)ৰ অধীনত জাৰি কৰা অধিসূচনাত বিনিৰ্দ্দিষ্ট কৰা অধিক্ৰমণৰ অৱধিৰ অৱসানত, কেন্দ্ৰীয় চৰকাৰে, এটা নতুন নিযুক্তিৰ দ্বাৰা বোৰ্ডৰ পুনৰ সংগঠন কৰিব পাৰে আৰু এনে ক্ষেত্ৰত উপ-ধাৰা(২)ৰ খণ্ড (ক)ৰ অধীনত তেওঁলোকৰ পদ ৰিক্ত কৰা কোনো ব্যক্তি বা ব্যক্তিসমূহ নিযুক্তিৰ বাবে অনৰ্হ বুলি গণ্য নহব ঃ

পৰন্তু কেন্দ্ৰীয় চৰকাৰে যি কোনো সময়ত, অধিষ্ঠাপনৰ অৱধিৰ অৱসানৰ পূৰ্ব্বে, এই উপ-ধাৰাৰ অধীনত কাৰ্য্য ব্যৱস্থা লব পাৰে।

(৪) কেন্দ্ৰীয় চৰকাৰে উপ-ধাৰা (১)ৰ অধীনত জাৰি কৰিবলগীয়া এখন অধিসূচনা কাৰিত কৰিব আৰু এই ধাৰাৰ অধীনত লোৱা কোনো কাৰ্য্যব্যৱস্থাৰ এটা সম্পূৰ্ণ বিৱৰণ আৰু এনে কাৰ্যব্যৱস্থাৰ মাৰ্গদৰ্শন কৰা পৰিস্থিতি শীঘ্ৰে সংসদৰ প্ৰত্যেক সদনৰ সমক্ষত উত্থাপিত কৰা হ'ব।

## অধ্যায়-৬

## বিত্ত, হিচাপ আৰু হিচাপ পৰীক্ষা

কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা দিয়া অনুদান আৰু ঋণ।

১৪। (১) কেন্দ্ৰীয় চৰকাৰে, এই মৰ্ম্মে বিধিৰ দ্বাৰা সংসদৰ দ্বাৰা প্ৰণীত সম্যক বিনিয়োজনৰ পিছত, সেই চৰকাৰে প্ৰয়োজনীয় বুলি বিবেচনা কৰা দৰে বোৰ্ডক এনে পৰিমাণৰ ধনৰাশিৰ অনুদান আৰু ঋণ দিব পাৰে।

(২) মৰাপাট বোৰ্ড নিধি নামেৰে এটা নিধি গঠন কৰিব আৰু তালৈ নিম্নলিখিতবোৰত জমা কৰা হ'ব —

(ক) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বোৰ্ডলৈ দিয়া কোনো অনুদান আৰু ঋণ ;

(খ) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিনিশ্চিত কৰা দৰে এনে আন উৎসৰ পৰা বোৰ্ডৰ দ্বাৰা প্ৰাপ্ত সকলো ধনৰাশি ;

(৩) নিধি, নিম্নলিখিতসমূহক পূৰণ কৰাৰ বাবে প্ৰয়োগ হ'ব —

(ক) বোৰ্ডৰ সদস্য, পদাধিকাৰী আৰু আন কৰ্ম্মচাৰীবৃন্দৰ বেতন, ভাত্তা আৰু আন পাৰিতোষিক ;

(খ) ইয়াৰ কৃত্যৰ নিৰ্ব্বহনত বোৰ্ডৰ ব্যয়সমূহ ; আৰু

(গ) এই অধিনিয়মৰ দ্বাৰা প্ৰাধিকৃত বিষয় আৰু উদ্দেশ্যসমূহৰবাবে হোৱা ব্যয়।

বাজেট।

১৫। বোৰ্ডে, প্ৰত্যেক বিত্তীয় বৰ্ষত বিহিত কৰা দৰে এনে প্ৰপত্ৰত আৰু এনে সময়ত বোৰ্ডৰ প্ৰাক্কলিত প্ৰাপ্তি আৰু ব্যয় দেখুৱাই পৰৱৰ্ত্তী বিত্তীয় বৰ্ষৰ বাবে ইয়াৰ বাজেট প্ৰস্তুত কৰিব আৰু একেবোৰ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব।

বাৰ্ষিক প্ৰতিবেদন।

১৬। বোৰ্ডে, প্ৰত্যেক বিত্তীয় বৰ্ষত বিহিত কৰা দৰে এনে প্ৰপত্ৰত আৰু এনে সময়ত পূৰ্ব্বৱৰ্ত্তী বিত্তীয় বৰ্ষত ইয়াৰ কাৰ্য্যকলাপৰ এটা সম্পূৰ্ণ হিচাপ দি ইয়াৰ বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰিব আৰু ইয়াৰ এটা প্ৰতিলিপি কেন্দ্ৰীয় চৰকাৰলৈ দাখিল কৰিব।

হিচাপ আৰু হিচাপ পৰীক্ষা।

১৭। বোৰ্ডৰ হিচাপ, ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ পৰামৰ্শত, বিহিত কৰা দৰে এনে ৰীতিত পৰিচালিত আৰু হিচাপ পৰীক্ষা কৰা হ'ব আৰু বোৰ্ডে, ইয়াৰ ওপৰত হিচাপ পৰীক্ষকৰ এটা প্ৰতিবেদনৰ সৈতে একেলগে ইয়াৰ হিচাপসমূহৰ হিচাপ পৰীক্ষাৰ এটা প্ৰতিলিপি, বিহিত কৰা দৰে, এনে তাৰিখৰ পূৰ্ব্বে, কেন্দ্ৰীয় চৰকাৰলৈ প্ৰদান কৰিব।

বাৰ্ষিক প্ৰতিবেদন আৰু হিচাপ পৰীক্ষকৰ প্ৰতিবেদন সংসদৰ সমক্ষত উত্থাপন কৰিব।

১৮। কেন্দ্ৰীয় চৰকাৰে, সংসদৰ প্ৰত্যেক সদনৰ সমক্ষত, সেইবোৰ প্ৰাপ্ত কৰাৰ পিছত যথাশীঘ্ৰে বাৰ্ষিক প্ৰতিবেদন আৰু হিচাপ পৰীক্ষকৰ প্ৰতিবেদন উত্থাপিত কৰিবলৈ কাৰিত কৰিব।

## অধ্যায়-৭

## বিবিধ

সদ্ বিশ্বাসত লোৱা কাৰ্য্যৰ সুৰক্ষা।

১৯। কোনো বাদ, অভিযোজন বা আন বৈধিক কাৰ্য্যবাহী, এই অধিনিয়ম বা ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলী বা বিনিয়মাৱলীৰ অধীনত সদ্ বিশ্বাসত কৰা বা কৰিবলৈ অভিপ্ৰেত হোৱা কোনো কাৰ্য্যৰ বাবে কেন্দ্ৰীয় চৰকাৰ বা বোৰ্ড বা বোৰ্ডৰ কোনো সদস্য, বা কেন্দ্ৰীয় চৰকাৰ বা বোৰ্ডৰ কোনো পদাধিকাৰী বা আন কৰ্ম্মচাৰী বা কেন্দ্ৰীয় চৰকাৰ বা বোৰ্ডৰ দ্বাৰা প্ৰাধিকৃত কোনো আন ব্যক্তিৰ বিপক্ষে নচলিব।

বোৰ্ডৰ পদাধিকাৰী আৰু কৰ্ম্মচাৰীবৃন্দ লোকসেবক হ'ব। ১৮৬০ৰ ৪৫

২০। বোৰ্ডৰ সকলো পদাধিকাৰী আৰু কৰ্ম্মচাৰীবৃন্দ, এই অধিনিয়মৰ বা ইয়াৰ অধীনত প্ৰণীত কোনো নিয়ম বা বিনিয়মৰ উপবন্ধাৱলীৰ অনুসৰণত যেতিয়া কাৰ্য্য কৰে বা কৰিবলৈ তাৎপৰ্য্যিৎ হয়, ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ২১ৰ অৰ্থৰ ভিতৰত লোকসেৱক বুলি গণ্য হ'ব।

নিয়মাৱলী প্ৰণয়নৰ ক্ষমতা।

২১। (১) কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ প্ৰয়োজনসমূহৰ কাৰ্য্যকৰী কৰিবলৈ নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষত ঃ আৰু পূৰ্ব্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়মাৱলীয়ে নিম্ন লিখিত বিষয়সমূহৰ সকলো বা যিকোনোটোৰ বিষয়ে উপবন্ধ কৰিব পাৰে, যেনেঃ -

(ক) ধাৰা ৩ৰ উপ-ধাৰা (৫)ৰ অধীনত বোৰ্ডৰ সদস্যৰ পদাৱধি আৰু সেৱাৰ আন চৰ্ত্তাৱলী ;

(খ) ধাৰা ৩ৰ উপ-ধাৰা (৭)ৰ অধীনত অধ্যক্ষৰ ক্ষমতা আৰু কৰ্ত্তব্যসমূহ ;

(গ) ধাৰা ৩ৰ উপ-ধাৰা (৮)ৰ অধীনত উপাধ্যক্ষৰ ক্ষমতা আৰু কৃত্যসমূহ ;

(ঘ) বোৰ্ডে, ধাৰা ১৫ৰ অধীনত ইয়াৰ বাজেট প্ৰস্তুত কৰাৰ প্ৰ-পত্ৰ আৰু সময় ;

## ৰাষ্ট্ৰীয় মৰাপাট বোৰ্ড অধিনিয়ম, ২০০৮

(ঙ) বোৰ্ডে, ধাৰা ১৬ৰ অধীনত ইয়াৰ বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰাৰ প্ৰপত্ৰ আৰু সময় ;

(চ) বোৰ্ডৰ হিচাপৰ পৰিচালনাৰ আৰু হিচাপ পৰীক্ষা কৰা ৰীতি আৰু তাৰিখ যাৰ আগত হিচাপৰ হিচাপ পৰীক্ষাৰ প্ৰতিলিপি ধাৰা ১৭ৰ অধীনত কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হ'ব ;

(ছ) বিহিত কৰা বা কৰিব পৰা বা নিয়মাৱলীৰ দ্বাৰা প্ৰণয়ন কৰিবলগীয়া বা কৰিব পৰা উপৰন্ধাৱলীৰ সম্বন্ধত এনে আন বিষয়।

**বিনিয়মাৱলী প্ৰণয়নৰ ক্ষমতা।**

২২। (১) বোৰ্ডে, কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব্ব অনুমোদন সহ, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ প্ৰয়োজনসমূহ সাধাৰণতঃ সম্পন্ন কৰিবলৈ এই অধিনিয়মৰ উপৰন্ধাৱলী আৰু নিয়মাৱলীৰ সুসঙ্গত হোৱা বিনিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষতঃ আৰু পূৰ্ব্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে বিনিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলো বা যিকোনোটোৰ বাবে উপৰন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ—

(ক) ধাৰা ৩ৰ উপ-ধাৰা (৯)ৰ অধীনত বোৰ্ডৰ ব্যৱসায় কি ৰীতিত পৰিচালিত কৰা হ'ব ; আৰু

(খ) ধাৰা ৪ৰ অধীনত বোৰ্ডৰ সচিব আৰু আন পদাধিকাৰী আৰু কৰ্ম্মচাৰীবৃন্দৰ সেৱাৰ পদাৱধি আৰু চৰ্ত্তাৱলী।

**নিয়মাৱলী বা বিনিয়মাৱলী সংসদৰ সমক্ষত উত্থাপন কৰা হ'ব।**

২৩। এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক নিয়ম বা বিনিয়ম, ইয়াক প্ৰণয়ন কৰাৰ পিছত যথাশীঘ্ৰে অধিৱেশন চলি থকা সময়ত এখন অধিৱেশন বা দুখন বা ততোধিক ক্ৰমাগত অধিৱেশনেৰে গঠিত হ'ব পৰা মুঠ ত্ৰিশ দিন কালৰ বাবে সংসদৰ প্ৰত্যেক সদনত উত্থাপন কৰা হ'ব, আৰু যদিহে উপৰোক্ত অধিবেশনৰ অব্যৱহিত পৰৱৰ্তী অধিৱেশন বা ক্ৰমাগত অধিৱেশনসমূহৰ অৱসানৰ পূৰ্ব্বে উভয় সদনে নিয়মত বা বিনিয়মত কোনো সালসলনি কৰিবলৈ সম্মত হয় বা উভয় সদনে সম্মত হয় যে নিয়ম বা বিনিয়ম প্ৰণয়ন কৰিব নালাগে তেন্তে তাৰ পিছত নিয়ম বা বিনিয়মটো কেৱল এনে সালসলনি ৰূপত প্ৰভাৱী হব বা যথাস্থিতি প্ৰভাৱী নহব ; সেয়ে হলেও এনে সালসলনি বা ৰদকৰণ সেই নিয়ম বা বিনিয়মৰ অধীনত পূৰ্ব্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হ'ব।

**জটিলতা দূৰীকৰণৰ ক্ষমতা।**

২৪। (১) যদিহে এই অধিনিয়মৰ উপৰন্ধাৱলীৰ প্ৰভাৱী কৰোতে কোনো জটিলতাৰ উদ্ভৱ হয়, কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত আদেশৰ দ্বাৰা এই অধিনিয়মৰ উপৰন্ধাৱলীৰ অসঙ্গত নোহোৱাকৈ এনে উপৰন্ধাৱলী প্ৰণয়ন কৰিব পাৰে যিটো, জটিলতা দূৰীকৰণৰ বাবে প্ৰয়োজনীয় বুলি প্ৰতীত হয় ঃ

পৰন্তু এনে কোনো আদেশ, এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পৰা দুবছৰৰ এটা অৱধিৰ অৱসানৰ পিছত দিয়া নহব।

(২) উপ-ধাৰা (১) অধীনত প্ৰণীত প্ৰত্যেক আদেশ, ইয়াৰ প্ৰণয়ন কৰাৰ পিছত যথাশীঘ্ৰে সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰা হ'ব।

**১৯৮৩ৰ অধিনিয়ম ২৮ৰ সংশোধন।**

২৫। মৰাপাট প্ৰস্তুতকৰণ উপ-কৰ অধিনিয়ম, ১৯৮৩ৰ, —

(ক) ধাৰা ৩ ত, —

(i) উপ-ধাৰা (১)ত ''মৰাপাট প্ৰস্তুতকৰণ উন্নয়ন পৰিষদ অধিনিয়ম, ১৯৮৩'' শব্দ আৰু সংখ্যাসমূহৰ বাবে ''ৰাষ্ট্ৰীয় মৰাপাট বোৰ্ড অধিনিয়ম, ২০০৮'' শব্দ আৰু সংখ্যাসমূহ প্ৰতিষ্ঠাপিত কৰা হ'ব।

(ii) উপ-ধাৰা (২)ত থকা ''আৰু লোন'' শব্দসমূহ লোপ কৰা হ'ব ;

(iii) উপ-ধাৰা (৪)ত থকা ''আৰু লোন'' শব্দসমূহ লোপ কৰা হ'ব ;

(খ) ধাৰা ৪ত ''ৰাষ্ট্ৰীয় মৰাপাট বোৰ্ড সময়ে সময়ে ৰাষ্ট্ৰীয় মৰাপাট বোৰ্ড অধিনিয়ম, ২০০৮ৰ প্ৰয়োজনাৰ্থে ব্যৱহৃত হোৱাৰ বাবে, ই যোগ্য বুলি ভবা দৰে, এনে পৰিমাণৰ ধনৰাশি (সংগ্ৰহৰ খৰছ বাদ দিয়াৰ পিছত যিটো এনে আগমৰ যিটো চাৰি শতাংশৰ অনধিক নহব) এনে আগমৰ পৰা '' শব্দসমূহ প্ৰতিষ্ঠাপিত হ'ব।

**নিৰসন আৰু ব্যাবৃত্তি। ১৯৮৩ৰ ২৭**

২৬। (১) নিয়ত দিনত বা দিনৰ পৰা মৰাপাট প্ৰস্তুতকৰণ উন্নয়ন পৰিষদ অধিনিয়ম, ১৯৮৩ নিৰসিত হৈছে।

(২) এনে নিৰসন সত্ত্বেও, এনেদৰে নিৰসিত হোৱা অধিনিয়মৰ অধীনত কৰা বা লোৱা কোনো কাৰ্য্যব্যৱস্থা বা কৰিবলৈ বা লবলৈ তাৎপৰ্য্যিৎ হোৱা কোনো কথাই, যিমান দূৰ এই অধিনিয়মৰ উপৰন্ধাৱলীৰ অসঙ্গত নহয়, এই অধিনিয়মৰ তদনুৰূপ উপৰন্ধাৱলীৰ অধীনত কৰা বা লোৱা বুলি গণ্য হ'ব।

ৰাষ্ট্ৰপতিয়ে ৰাষ্ট্ৰীয় মৰাপাট বোৰ্ড অধিনিয়ম, ২০০৮ (২০০৯ৰ অধিনিয়ম সংখ্যা ২১)ৰ ওপৰোক্ত অসমীয়া অনুবাদ, প্ৰাধিকৃত পাঠ, (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ ৰ খণ্ড (ক)ৰ অধীনত ৰাজপত্ৰত প্ৰকাশিত কৰাৰ কাৰণে প্ৰাধিকৃত কৰি দিছে (১৯৭৩ৰ অধিনিয়ম সংখ্যা ৫০) ।

নতুন দিল্লী
তাৰিখ ঃ

সচিব, ভাৰত চৰকাৰ

The above translation in Assamese of The National Jute Board Act, 2008 (Act No. 12 of 2009) has been authorised by the President to be published in the Official Gazette under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 (Act No. 50 of 1973).

G. NARAYANA RAJU,
Secretary to the Govt. of India

New Delhi
Date :

ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১, ২৪-১২-১৮